জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৫৬/২০২১

# গণৰাজ্য দিৱস উপলক্ষে শ্ৰদ্ধাঞ্জলী কাননত আয়োজিত অনুষ্ঠানত ভাৰতৰ স্বাধীনতা আন্দোলনৰ শ্বহীদ সকললৈ গভীৰ শ্ৰদ্ধা জ্ঞাপন কৰিলে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে

## এখন সমৃদ্ধশালী ভাৰত নিৰ্মাণৰ সপোন বাস্তৱায়িত কৰাৰ বাবে শপত লবলৈ মুখ্যমন্ত্ৰীৰ আহ্বান

**দিছপুৰ, ২৭ জানুৱাৰী ঃ** ভাৰতৰ স্বাধীনতা আন্দোলনত দেশৰ হ'কে যুঁজ দি প্ৰাণাহুতি দিয়া শ্বহীদ সকলৰ প্ৰতি গভীৰ শ্ৰদ্ধা জ্ঞাপন কৰে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে। আজি ৭২ তম্ গণৰাজ্য দিৱস উপলক্ষে শ্ৰদ্ধাঞ্জলী কাননৰ শ্বহীদ স্মাৰকত পুস্পাঞ্জলি অৰ্পন কৰি মুখ্যমন্ত্ৰীয়ে শ্বহীদ সকলৰ প্ৰতি গভীৰ শ্ৰদ্ধা নিবেদন কৰে।

এই উপলক্ষে আয়োজিত অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে ৭২ তম্ গণৰাজ্য দিৱস উদ্‌যাপনৰ এই শুভ মুহুৰ্তত এখন বিকশিত ৰাষ্ট্ৰ গঠনৰ বাবে আমি অধিক শ্ৰম কৰাৰ বাবে সংকল্পবদ্ধ হ'ব লাগিব। আমি কঠোৰ শ্ৰম কৰিলে আৰু সমাজৰ সকলো শ্ৰেণীৰ জনসাধাৰণৰ কল্যাণ সুনিশ্চিত কৰিব পাৰিলে ভাৰতৰ স্বাধীনতাৰ হ'কে প্ৰাণাহুতি দিয়া শ্বহীদ সকলৰ লগতে মুক্তি যুঁজাৰু সকলৰ সপোন সাৰ্থক কৰিবলৈ সক্ষম হম। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ' এক ভাৰত শ্ৰেষ্ঠ ভাৰত'ৰ বিষয়টো উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে এখন শক্তিশালী আৰু মহান ৰাষ্ট্ৰ গঢ়াৰ বাবে হাতত হাত ধৰি আগুৱাই যাবলৈ সকলোকে আহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে কয় যে বৰ্তমানৰ ৰাজ্য চৰকাৰে বৰাক-ব্ৰহ্মপুত্ৰ, পাহাৰ-ভৈয়ামৰ সকলো এলেকাৰ সম-উন্নয়নৰ বাবে কাম কৰি আহিছে। তেওঁ লগতে কয় যে শান্তি, উন্নয়নৰ জৰিয়তে ৰাজ্যৰ সকলো এলেকাৰ বিকাশেৰে এখন শক্তিশালী অসম নিৰ্মাণৰ বাবে ৰাজ্য চৰকাৰে কাম কৰি আহিছে। গণৰাজ্য দিৱসৰ পৱিত্ৰ ক্ষণত এখন সমৃদ্ধশালী ৰাষ্ট্ৰ নিৰ্মাণৰ সপোনক বাস্তৱায়িত কৰাৰ বাবে সকলোকে নিষ্ঠাৰে কাম কৰি যাবলৈ মুখ্যমন্ত্ৰীয়ে আহ্বান জনায়। অনুষ্ঠানত বিধায়ক ঋতুপৰ্ণ বৰুৱা লগতে বহু সংখ্যক গণ্যমান্য ব্যক্তি উপস্থিত আছিল

**সুঃদঃ / পু ঃ ডেঃ**
**২৭/০১/২০২১**